**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-05-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ প্ৰচাৰৰ আজি সামৰণি। প্ৰচাৰৰ অন্তিম দিনা ভোটাৰক আকৰ্ষণৰ বাবে শাসক-বিৰোধীৰ ব্যাপক তৎপৰতা।

২। প্ৰথম পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ পুনৰ ভোটগ্ৰহণ হোৱা ৪৪টা কেন্দ্ৰত ৭৮ দশমিক ১ শতাংশ ভোটদান।

৩। আই আই টি গুৱাহাটী আৰু জাগীৰোডৰ ছেমি কণ্ডাক্টৰ প্ৰকল্প পৰিদৰ্শন কৰি জাপানৰ প্ৰতিনিধি দলৰ অসম তথা ভাৰত চৰকাৰৰ সৈতে সহযোগিতাৰে কাম কৰি যাবলৈ আগ্ৰহ প্ৰকাশ।

৪। মিজোৰামৰ ৰাজধানী আইজল অহা মাহৰ শেষৰ ফালে ভাৰতীয় ৰে’ল মানচিত্ৰত অন্তৰ্ভুক্ত হোৱাৰ সম্ভাৱনা। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে পঞ্জাৱ কিংছৰ ৩৭ ৰানত জয়লাভ।

০০০০০০

পঞ্চায়তৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ নিৰ্বাচনী প্ৰচাৰৰ আজি বিয়লি চাৰে ৪ বজাত সামৰণি পৰিব। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন পৰহিলৈ অনুষ্ঠিত হ’ব। প্ৰচাৰ অভিযানৰ আজি অন্তিম দিন হোৱাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ তুংগত উঠিছে। ধুবুৰী, দক্ষিণ শালমাৰা-মানকাচৰ, গোৱালপাৰা, বঙাইগাঁও, বৰপেটা, বজালী, নলবাৰী, কামৰূপ, কামৰূপ মহানগৰ, হোজাই, নগাঁও, মৰিগাঁও আৰু দৰং জিলাত দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে প্ৰচাৰৰ আজি অন্তিম দিনা আজি ভোটদাতাক আকৰ্ষণৰ চেষ্টা চলাব।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি কেইবাখনো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলোৱাৰ লগতে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, সাংসদ প্ৰদ্যুৎ বৰদলৈ, ৰকিবুল হুছেইন, গৌৰৱ গগৈ, বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াও কেইবাখনো প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব।

মুখ্যমন্ত্ৰী ডঃ শৰ্মাই আজি দিনৰ ১০ বজাত বকো-ছয়গাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত ছয়গাঁও মিনি ষ্টেডিয়ামত অগপ, বিজেপি আৰু ৰাভা-হাছাং যৌথ সংগ্ৰাম সমিতিৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাব। একেদৰে বজালী বিধানসভা সমষ্টিত মুখ্যমন্ত্ৰীগৰাকীয়ে বিজেপি আৰু অগপ মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব। বজালী জিলাৰ নিত্যানন্দৰ বিদ্যাভৱন নিত্যানন্দ হাইস্কুল খেলপথাৰত আয়োজিত বিশাল বিজয় সংকল্প সমাৱেশত মুখ্যমন্ত্ৰীয়ে অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কালি নতুনকৈ জালুকবাৰী সমষ্টিৰ অন্তৰ্ভুক্ত হোৱা আজাৰাৰ মাজিৰগাঁৱত প্ৰচাৰ চলায়। তেওঁ পলাশবাৰী আৰু কাঁহিকুছিতো নিৰ্বাচনী প্ৰচাৰ চলায়। পলাশবাৰীৰ মাজিৰগাঁৱত জনসভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনত বিজেপি নেতৃত্বাধীন চৰকাৰৰ শাসনকালত অৰ্থনৈতিক উন্নয়ন হৈছে বুলি মন্তব্য কৰে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি অভয়াপুৰী বিধানসভা

সমষ্টিৰ ঘিলাগুৰিত প্ৰচাৰ চলায়। শ্ৰীসোণোৱালে বৰপেটা জিলাৰ বনিয়াকুছিত আয়োজিত প্ৰচাৰ কাৰ্যসূচীতো অংশগ্ৰহণ কৰে। মন্ত্ৰী কেশৱ মহন্তয়ো কালি কলিয়াবৰ সমষ্টিৰ দেওচুৰ চাঙত বিজেপি আৰু অসম গণ পৰিষদ মিত্ৰজোঁটৰ আঞ্চলিক সদস্যপদৰ প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰ চলায়। তেওঁ ৭ নম্বৰ বেচামাৰী আৰু কাজিৰঙাৰ কুঠৰীতো প্ৰচাৰ সভাত অংশ লয়।

লোকসভাৰ বিৰোধী উপ-দলপতি গৌৰৱ গগৈয়ে কালি গুৱাহাটীৰ চন্দ্ৰপুৰত পঞ্চায়ত নিৰ্বাচনৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ সভাত অংশ লয়। কংগ্ৰেছ দলৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই বৰপেটা জিলাৰ পাকাবেতবাৰী সমষ্টিৰ ভক্তৰদবাত প্ৰচাৰ চলায়। সাংসদ প্ৰদ্যুৎ বৰদলৈও কালি কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰ হৈ দক্ষিণ ধৰমতুল গাঁও পঞ্চায়তত প্ৰচাৰ চলায়।

অসম জাতীয় পৰিষদ দলৰ হৈ লুৰীণজ্যোতি গগৈয়ে কালি নলবাৰীত প্ৰচাৰ চলায়। দক্ষিণ শালমাৰা মানকাচৰ জিলাত এ আই ইউ ডি এফ দলৰ কেইবাগৰাকী বিধায়কে কালি প্ৰচাৰ সভাত অংশ লয়।

ইপিনে পৰহিলৈ নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া জিলাকেইখনৰ প্ৰশাসন ইতিমধ্যে নিৰ্বাচনৰ বাবে সাজু হৈ উঠিছে। নিৰ্বাচনৰ সময়ত যাতে কোনো অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয় তাৰ বাবে কেইবাখনো জিলাত কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে। ভোটগ্ৰহণৰ বাবে জিলা প্ৰশাসনৰ প্ৰস্তুতি সন্দৰ্ভত আমাৰ গোৱালপাৰাৰ সংবাদদাতা ৰছিদুল হুছেইনে এইদৰে জনাইছে—

**ভইচ (ৰছিদুল হুছেইন)**

০০০০০০

পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত হোৱা ভোটগ্ৰহণৰ সময়ত ব্যাঘাত জন্মা ৫ খন জিলাৰ মুঠ ৪৪টা কেন্দ্ৰত কালি হোৱা পুনৰ ভোটগ্ৰহণ ৭৮ দশমিক ১ - ০ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। ২ মে'ত হোৱা পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ সময়ত বিক্ষিপ্ত ঘটনা, বেলট বিসংগতিকে ধৰি বিভিন্ন কাৰণত এই কেন্দ্ৰকেইটাত ভোটগ্ৰহণ স্থগিত ৰখা হৈছিল।

পুনৰ ভোটগ্ৰহণ হোৱা কেন্দ্ৰকেইটাৰ ভিতৰত হাইলাকান্দি জিলাৰ সৰ্বাধিক ৩২টা, শ্ৰীভূমিৰ ৮টা, লখিমপুৰত ২টা, গোলাঘাট আৰু মাজুলীৰ এটাকৈ কেন্দ্ৰ আছে। হাইলাকান্দি জিলাত প্ৰায় ৭১ শতাংশ ভোটদান হয় বুলি জানিব পৰা গৈছে। জিলাখনত ভোটগ্ৰহণ সামগ্ৰিকভাৱে শান্তিপূৰ্ণ আছিল।

শ্ৰীভূমি জিলাতৰ ৮টা ভোটগ্ৰহণ কেন্দ্ৰত কালি শান্তিপূৰ্ণভাৱে পুনৰ ভোটগ্ৰহণ কৰা হয়। জিলাখনত ৬৬ দশমিক ৮ - ৮ শতাংশ ভোটদান হয়। মাজুলীৰ আঁহতগুৰি পঞ্চায়তৰ ৩ নম্বৰ কাচিকটা ৱাৰ্ডৰ আদৰ্শ মধ্য ইংৰাজী বিদ্যালয়ত শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ কৰা হয়। আমাৰ সংবাদদাতাই জনোৱা মতে কেন্দ্ৰটোত ৮৮ দশমিক ১-৬ শতাংশ ভোটদান হৈছে। গোলাঘাটৰ মহুৰা জিলা পৰিষদৰ দিচৈ গাঁও পঞ্চায়ত ৭ নম্বৰ ৱাৰ্ডৰ বাবে গুটুং প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত ভোটগ্ৰহণত ৮৫ দশমিক ৭ - ৬ শতাংশ ভোটদাতাই ভোটদান কৰে। লখিমপুৰত ৭৯ দশমিক ১ - ৬ শতাংশ ভোটদান হয় বুলি প্ৰকাশ কৰা হৈছে।

০০০০০০

পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ দিনা ভোটকেন্দ্ৰত উত্তপ্ত পৰিস্থিতি সৃষ্টি হোৱাক কেন্দ্ৰ কৰি তিনিচুকীয়া জিলাৰ বৰডুমচা আৰক্ষীয়ে এজন যুৱকৰ ওপৰত নিৰ্মম অত্যাচাৰ চলোৱাৰ অভিযোগ উত্থাপন হৈছে। এই ঘটনাক কেন্দ্ৰ কৰি তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি হোৱাৰ পাছতে অসম আৰক্ষীৰ উৰ্দ্ধতম কৰ্তৃপক্ষই বৰডুমচা থানাৰ বিষয়া বিশ্বজিৎ চহৰীয়াক ৰিজাৰ্ভ ক্ল'জৰ নিৰ্দেশ দিছে। তদুপৰি থানাখনৰ উপ-পৰিদৰ্শক

জয়ন্ত কলিতা আৰু ৰাজীৱ ডেকাৰ লগতে কনিষ্টবল বিশালজ্যোতি বড়ো, ভাইটী ডেকাক নিলম্বন কৰা হৈছে। অসম আৰক্ষীয়ে সমগ্ৰ ঘটনা সন্দৰ্ভত জিলা আৰক্ষী অধীক্ষকক তদন্তৰ দায়িত্ব দিছে।

০০০০০০

জাপানৰ নিম্ন সদন হাউছ অৱ ৰিপ্ৰেজেণ্টেটিভছৰ অধ্যক্ষ নুকাগা ফুকুশ্বিৰ'ৰ নেতৃত্বত দেশখনৰ এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধিৰ দলে কালি জাগীৰোডৰ ছেমি কণ্ডাক্টৰ প্ৰকল্পস্থলী পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী পীযুষ হাজৰিকা আৰু বিমল বৰাৰ উপস্থিতিত দলটোৱে প্ৰকল্পস্থলীৰ বিভিন্ন দিশৰ বুজ লয়। অধ্যক্ষগৰাকীৰ নেতৃত্বত দলটোৱে এই প্ৰকল্প পৰিদৰ্শন কৰি উৎসাহিত হোৱাৰ লগতে অসম তথা কেন্দ্ৰীয় চৰকাৰৰ সহযোগত কাম কৰি যাবলৈ আগ্ৰহ প্ৰকাশ কৰে। দলটোৰ এই ভ্ৰমণ সন্দৰ্ভত মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনলৈ এনেদৰে বিদেশী প্ৰতিনিধিৰ সঘনে আগমন হোৱাটো শুভ লক্ষণ বুলি মন্তব্য কৰে। অনাগত সময়ত জাপানে অসমৰ বিভিন্ন উদ্যোগত বিনিয়োগ কৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে।

**-বাইট-**

ইয়াৰ আগেয়ে জাপানৰ দলটোৱে আই আই টি গুৱাহাটীৰ আমিনগাঁৱত থকা আছিয়ান ৰান টেকনিকেল ডেভেলপমেণ্ট চেণ্টাৰ পৰিদৰ্শন কৰে। মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ উপস্থিতিত দলটোৱে কেন্দ্ৰটো পৰিদৰ্শন কৰি প্ৰস্তুতিৰ বুজ লয় আৰু জাপান চৰকাৰৰ উদ্যোগত শীঘ্ৰেই যুৱক-যুৱতীসকলক জাপানীজ ভাষাৰ লগতে বিভিন্ন কাৰিকৰী দিশত প্ৰশিক্ষণৰ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰিব বুলি মত পোষণ কৰে। ইয়াৰ ফলত অসমৰ যুৱক-যুৱতীয়ে জাপানত কৰ্মসংস্থাপন লাভ কৰিব পাৰিব বুলি মন্ত্ৰী শ্ৰী দাসে আশা ব্যক্ত কৰে। জাপানৰ নিম্ন সদনৰ অধ্যক্ষগৰাকীয়ে কেন্দ্ৰটো পৰিদৰ্শন কৰি কয়, যে তথ্য-প্ৰযুক্তি তথা মানৱ সম্পদেৰে ভাৰত সমৃদ্ধিশালী। জাপানত প্ৰতিষ্ঠিত হ'বলৈ বিচৰা মানৱ সম্পদক উদ্গনি যোগাবলৈ দেশখন আগ্ৰহী বুলি তেওঁ উল্লেখ কৰে। তদুপৰি আন্তঃগাঁথনি, নিৰ্মাণ, শিক্ষা, অৰ্থনীতি তথা ৰাজনৈতিক ক্ষেত্ৰতো গণতান্ত্ৰিক দেশ দুখনে সহযোগিতাৰে কাম কৰিব পাৰে বুলি তেওঁ উল্লেখ কৰে। এই পৰিদৰ্শন কালত আই আই টি গুৱাহাটীয়ে উদ্যমিতা আৰু ষ্টাৰ্টআপৰ ক্ষেত্ৰত গ্ৰহণ কৰা ব্যৱস্থা সম্পৰ্কে দলটোক অৱগত কৰে। প্ৰতিষ্ঠানটোত নিৰ্মীয়মান অত্যাধুনিক স্বাস্থ্য বিজ্ঞান প্ৰতিষ্ঠান আছাম এডভান্স্‌ড হেল্‌থ কেয়াৰ ইন'ভেচন ইনষ্টিটিউট সম্পৰ্কতো মুখ্য পৰিচালন বিষয়া ডঃ সজল সেনে অৱগত কৰে। ২ এপ্ৰিলত আৰম্ভ হোৱা এই প্ৰতিষ্ঠানটোত ৪ টা বিষয়ৰ গৱেষণাৰ কাম আৰম্ভ হৈছে আৰু ৩০ মাহৰ ভিতৰত ইয়াৰ নিৰ্মাণ সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে।

উল্লেখযোগ্য যে দলটোৱে অসমত উপস্থিত হোৱাৰ পাছতে বিধানসভাত জাপানৰ প্ৰতিনিধিৰ দলটোৰ সৈতে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে বৈঠকত মিলিত হয়। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই জাপানৰ এই দলটোক আদৰণি জনাই কয়, যে এই ভ্ৰমণে অসম আৰু জাপানৰ মাজত সম্পৰ্ক শক্তিশালী কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

০০০০০০

মিজোৰামৰ ৰাজধানী আইজলৰ সৈতে অহা মাহৰ শেষৰফালে ৰে'ল যোগাযোগ স্থাপনৰ কাম সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে। উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ সূত্ৰই প্ৰকাশ কৰা মতে অহা মাহৰ শেষৰ ফালে মিজোৰামৰ ভৈৰৱী চাইৰাং ৰে'লপথ প্ৰকল্প সম্পূৰ্ণ হৈ উঠিব। উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া কপিঞ্জল কিশোৰ শৰ্মাই প্ৰকাশ কৰা মতে পহিলা মে'ত মিজোৰামৰ আইজলৰ চাইদাঙলৈ প্ৰথমবাৰৰ বাবে পৰীক্ষামূলক ৰে'ল চলাচল কৰা হয়। ইয়াৰ লগে লগে মিজোৰাম ৰাষ্ট্ৰীয় ৰে'ল নেটৱৰ্কৰ সৈতে সংযুক্ত হোৱা উত্তৰ-পূবৰ চতুৰ্থখন ৰাজ্য হিচাপে পৰিগণিত হ'ব। উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ নিৰ্মাণ বিভাগৰ মহা

প্ৰবন্ধক অৰণ কুমাৰ চৌধুৰীয়ে মিজোৰামত পৰীক্ষামূলক ৰে'ল চলাচলৰ সময়ত প্ৰকাশ কৰা মতে ৰে'লৰে সুৰক্ষা আয়ুক্তই অহা মাহৰ আৰম্ভণিতে ৰে'ল পথছোৱা পৰিদৰ্শন কৰিব। ইয়াৰ পৰৱৰ্তী সময়ত ১৭ জুনৰ পাছত ভৈৰৱী চাইৰাং ৰে'লপথ আনুষ্ঠানিকভাৱে মুকলি হোৱাৰ সম্ভাৱনা আছে বুলি তেওঁ উল্লেখ কৰে। উল্লেখযোগ্য যে বৰাক উপত্যকাৰ মাজেৰে নিৰ্মাণ কৰা ৫১ দশমিক ৩ - ৮ কিলোমিটাৰ দৈৰ্ঘ্যৰ ভৈৰৱী-চাইৰাং ৰে'লপথ প্ৰকল্প ভাৰতীয় ৰে'লৰেৰ অভিযান্ত্ৰিক সাফল্য হিচাপে বিবেচিত হৈছে। এই প্ৰকল্পত ৪৮ টা সুৰংগ, ৫৫ খন বৃহৎ সেতু আৰু ৮৭ খন সৰু সেতু থাকিব। সুৰংগৰ মুঠ দৈৰ্ঘ্য ১২ হাজাৰ ৮৫৩ মিটাৰ একেদৰে ১৯৬ নম্বৰ সেতুখনৰ উচ্চতা ১০৪ মিটাৰ অৰ্থাৎ কুটুবমিনাৰতকৈও ৪২ মিটাৰ উচ্চতাত এই সেতুখন নিৰ্মাণ কৰা হ'ব। আইজললৈ পোনপটীয়া ৰে'ল চলাচলে ৰাজ্যখনৰ অৰ্থনীতিত ইতিবাচক প্ৰভাৱ পেলাব বুলি আশা কৰা হৈছে। উল্লেখযোগ্য যে কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ ৰাজধানী চহৰসমূহত ৰে'ল মানচিত্ৰত অন্তৰ্ভুক্ত কৰাৰ বাবে দেশৰ ৰাজধানী নতুন দিল্লীৰ সৈতে পোনপটীয়াকৈ ৰে'ল চলাচল কৰাবলৈ ২০১৪ চনত এখন আঁচনি ঘোষণা কৰিছিল। এই অনুসৰি ৰে'ল মানচিত্ৰত অন্তৰ্ভুক্ত নোহোৱা মেঘালয়ৰ ৰাজধানী শ্বিলং, মণিপুৰৰ ইম্ফল, নাগালেণ্ডৰ কোহিমা আৰু মিজোৰামৰ আইজলক ৰে'লযোগে সংযোগ কৰাৰ বাবে ৰে'ল মন্ত্ৰালয়ে বৃহৎ প্ৰকল্প গ্ৰহণ কৰে। অৱশ্যে পৰিস্থিতিগত কাৰণত শ্বিলং চহৰক ৰে'ল মানচিত্ৰত অন্তৰ্ভুক্ত কৰা আঁচনিখন ৰূপায়ণ কৰিব পৰা হোৱা নাই। কোহিমা, ইম্ফল আৰু আইজলক ৰে'লযোগে সংযোগ কৰাৰ আঁচনিখন দ্ৰুততাৰে ৰূপায়ণ কৰি থকা হৈছে।

000000

**অসম বিশ্ববিদ্যালয়ৰ সমাজ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক অজিত কুমাৰ জেনাৰ বিৰুদ্ধে বিশ্ববিদ্যালয়ৰ ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অনৈতিক আৰু যৌন ইংগিতপূৰ্ণ আচৰণ কৰা বুলি অভিযোগ তুলি বিশ্ববিদ্যালয়ৰ আৰক্ষী চকীত এখন লিখিত অভিযোগ দাখিল কৰিছে। অভিযুক্ত অধ্যাপকগৰাকীয়ে দীৰ্ঘদিন ধৰি ছাত্ৰীৰ প্ৰতি অনৈতিক, যৌন ইংগিতপূৰ্ণ, আৱেগিকভাৱে হাৰাশাস্তি কৰা আচৰণত লিপ্ত হৈ আহিছে। অধ্যাপক গৰাকীয়ে নিজৰ ক্ষমতাৰ অপব্যৱহাৰ কৰি যোৱা ২৩ এপ্ৰিল, ২৮ এপ্ৰিল আৰু আন কেইবাদিনো বিভিন্ন শৈক্ষিক সভাৰ সময়ত ছাত্ৰীৰ প্ৰতি আপত্তিজনক মন্তব্য কৰা আৰু যৌন ইংগিত পূৰ্ণ অশ্লীল আচৰণত কৰা বুলি অভিযোগ পত্ৰখনত উল্লেখ কৰা হৈছে।**

**আমাৰ শিলচৰৰ সংবাদদাতাই জনোৱামতে এই ঘটনাই বিশ্ববিদ্যালয়ৰ চৌহদত উত্তেজনাৰ সৃষ্টি কৰিছে আৰু বিশ্ববিদ্যালয়ৰ উপাচাৰ্যই ইতিমধ্যে এই বিষয়টো সন্দৰ্ভত আভ্যন্তৰীণ তদন্তৰ নিৰ্দেশ দিছে।**

000000

জম্মু-কাশ্মীৰৰ পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক লৈ দেশবিৰোধী মন্তব্য কৰাৰ অভিযোগত অসম আৰক্ষীয়ে এই পৰ্যন্ত ৪২ জন লোকক গ্ৰেপ্তাৰ কৰিছে। বৰপেটা আৰক্ষীয়ে কালি আজিবুৰ ৰহমান, হোজাই আৰক্ষীয়ে জয়নালউদ্দিন আৰু চিৰাং আৰক্ষীয়ে আশ্ৰাফুল ইছলাম নামৰ লোকজনক গ্ৰেপ্তাৰ কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে প্ৰকাশ কৰি অসম আৰক্ষী এই অভিযান পৰৱৰ্তী সময়তো অব্যাহত থাকিব বুলি উল্লেখ কৰে। তেওঁ লগতে জনসাধাৰণক এনে দেশ বিৰোধী মন্তব্য দৃষ্টিগোচৰ হোৱা মাত্ৰেই প্ৰশাসনক অৱগত কৰিবলৈ আহ্বান জনায়।

উল্লেখযোগ্য যে ভাৰত বিৰোধী মন্তব্য কৰাৰ অভিযোগত কাছাৰৰ পৰা সৰ্বাধিক ছজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। একেদৰে হাইলাকান্দি আৰু চিৰাঙত ৩ জন, কোকৰাঝাৰ, কামৰূপ, গোৱালপাৰা, দক্ষিণ

শালমাৰা মানকাচৰ, হোজাই আৰু নগাঁৱত দুজনকৈ তথা বিশ্বনাথ, দৰং, গোলাঘাট, ধুবুৰী, লখিমপুৰ, মৰিগাঁও, শিৱসাগৰ, শোণিতপুৰ, শ্ৰীভূমি, বৰপেটা আৰু তামুলপুৰ জিলাৰ এজনকৈ লোকক অনুৰূপ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছে।

সামাজিক মাধ্যমযোগে ধৰ্মীয় অনুভূতিত আঘাত হনা তথা সাম্প্ৰদায়িক মন্তব্য কৰাৰ অভিযোগত বৰপেটাৰ আৰক্ষীৰ এটা দলে শনিবাৰে নিশা জিলাখনৰ এজন যুৱকক তেলেংগানাৰ পৰা গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ কৰা যুৱকজন জিলাখনৰ কাছুমাৰা থানাৰ অধীনৰ চাগবান্ধা গাঁৱৰ বাসিন্দা আৰু বিগত কিছুদিন ধৰি তেলেংগানাত আছিল বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা ধৰ্মশালাৰ হিমাচল প্ৰদেশ ক্ৰিকেট এছ'চিয়েশ্যন ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত পাঞ্জাব কিংছে লক্ষ্ণৌ ছুপাৰ জায়েন্টছক ৩৭ ৰানত পৰাস্ত কৰে। এই জয়ৰ সুবাদত পঞ্জাব কিংছ পইণ্ট তালিকাৰ দ্বিতীয় স্থানলৈ উন্নীত হৈছে। ২৩৭ ৰানৰ লক্ষ্য অনুসৰণ কৰি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে নিৰ্ধাৰিত ২০ অভাৰত ৭ উইকেটত ১৯৯ ৰানহে সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। আয়ুষ বাদ'নিয়ে সৰ্বাধিক ৭৪ ৰান আৰু আব্দুল ছামাদে ৪৫ ৰান কৰে। পঞ্জাব কিংছৰ হৈ অৰ্শদীপ সিঙে তিনিটা উইকেট দখল কৰে। খেলখনত প্ৰথমে বেটিং কৰাৰ আমন্ত্ৰণ লাভ কৰা পঞ্জাব কিংছে নিৰ্ধাৰিত অভাৰত ৫ উইকেটত ২৩৬ ৰান সংগ্ৰহ কৰিছিল। ৯১ ৰান কৰা পাঞ্জাব কিংছৰ প্ৰভসিমৰণ সিঙক প্লেয়াৰ অৱ দ্য মেচ ঘোষণা কৰা হয়।

ইপিনে, কালি ইডেন গাৰ্ডেনছত অনুষ্ঠিত প্ৰথমখন খেলত কলকাতা নাইট ৰাইডাৰ্ছে ৰাজস্থান ৰয়েলছক এক ৰানত পৰাস্ত কৰে। ২০৭ ৰানৰ লক্ষ্য অনুসৰণ কৰি ৰাজস্থান ৰয়েলছ নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেটত ২০৫ ৰানতে থমকি ৰয়। ৰাজস্থান ৰয়েলছৰ হৈ অসম সন্তান ৰিয়ান পৰাগে ক্ৰমাগত ৬টা বলত ৬টা ছিক্স মাৰি আই পি এলত অন্য এটা ইতিহাস সৃষ্টি কৰে।

প্ৰতিযোগিতাত আজি হায়দৰাবাদত ডেলহী কেপিটেলছ- ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭.৩০ বজাত আৰম্ভ হ’ব।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে প্ৰত্যেক ঘৰতে বিশুদ্ধ খোৱাপানী যোগান ধৰাৰ বাবে গ্ৰহণ কৰা জলজীৱন আঁচনিৰ অধীনত জনসাধাৰণক বিশুদ্ধ খোৱাপানী যোগানত ব্যৰ্থ হৈছে। এই সন্দৰ্ভত ‘ৰাজ্যত জলজীৱনৰ ফ্লপ শ্ব’ শিৰোনামেৰে **অসমীয়া প্ৰতিদিন** কাকতে বাতৰি প্ৰকাশ কৰিছে।

পেহেলগামৰ নৰমেধৰ পাছত ভাৰতে সিন্ধু জলযুক্তি স্থগিতকৰণেৰে পাকিস্তানৰ বিৰুদ্ধে আৰম্ভ কৰা কূটনৈতিক যুদ্ধৰ অংশ হিচাপে চেনাব নদীৰ সোঁত নিয়ন্ত্ৰণ কৰিছে। এই বাতৰি **দৈনিক অসম** কাকতৰ।

কালি জাপানৰ প্ৰতিনিধি দলে জাগীৰোডৰ ছেমি কণ্ডাক্টৰ প্ৰকল্প পৰিদৰ্শন কৰে। এই বাতৰি অন্যান্য কাকতৰ লগতে **দৈনিক জনমভূমি** কাকতেও প্ৰকাশ কৰিছে।

যোৱা ২ মে’ত অনুষ্ঠিত প্ৰথম পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ হিংসাত্মক ঘটনাত জোনাইৰ এজন মিচিং জাতীয় সংগঠনৰ নেতাই প্ৰাণ হেৰুৱায়। নিৰ্বাচনী হিংসাৰে অনুষ্ঠিত পঞ্চায়ত নিৰ্বাচন সন্দৰ্ভত **আমাৰ অসম** কাকতে এই বাতৰি প্ৰকাশ কৰিছে।

বিগত ১০ দিনত পাক সেনাই নিয়ন্ত্ৰণ ৰেখাত ১০ বাৰ যুদ্ধ বিৰতি চুক্তি উলংঘা কৰি ভাৰতীয় সেনালৈ গুলীবৰ্ষণ কৰিছে। ভাৰতীয় সেনাইও গুলীৰে প্ৰত্যুত্তৰ দিছে। এই বাতৰি **দৈনিক অগ্ৰদূত** কাকতৰ।

গুৱাহাটীৰ মাজিৰগাঁও - পানীকুছিত পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনী প্ৰচাৰ চলাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসম শান্তিৰ দিশলৈ ৰূপান্তৰ হোৱা বুলি প্ৰকাশ কৰিছে। এই বাতৰি **নিয়মীয়া বাৰ্তা** কাকতৰ।

বিশিষ্ট শিল্পী গ্ৰাফিক্স ডিজাইনাৰ তথা অসম পৰ্যটন বিভাগৰ ল'গ' ডিজাইন কৰোতা অমূল্য বৰুৱাৰ লণ্ডনত দেহাৱসান হোৱাৰ বাতৰিটো আজিৰ আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

পেহেলগামৰ নৰ সংহাৰক কেন্দ্ৰ কৰি ভাৰত আৰু পাকিস্তানৰ মাজত তীব্ৰ মতানৈক্য অব্যাহত থকাৰ সময়তে পাকিস্তানে ভাৰতৰ বিৰুদ্ধে পাৰমাণৱিক মাৰণাস্ত্ৰ প্ৰয়োগৰ হুংকাৰ দিছে। এই বাতৰি অন্যান্য কাকতৰ লগতে **অসমীয়া খবৰেও** প্ৰকাশ কৰিছে।

বৃহৎ সৌৰ শক্তি প্ৰকল্প স্থাপনৰ বাবে এ পি জি চি এলে জিলা আয়ুক্তক ভূমি অনুমোদনৰ বাবে আহ্বান জনাইছে। এই প্ৰসংগত 'ন' ৰেচপন্‌ছ টু এ পি জি চি এল এছ ৰিকুৱেষ্ট ফ'ৰ লেণ্ড টু ছেট আপ ছ'লাৰ প্ৰজেক্ট' শিৰোনামেৰে **দা ছেণ্টিনেল** কাকতে বাতৰি প্ৰকাশ কৰিছে।

কালি অসম সন্তান ৰিয়ান পৰাগে আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ৰাজস্থান ৰয়েল্‌ছৰ হৈ ৯৫ ৰান সংগ্ৰহ কৰে। এই বাতৰি প্ৰকাশ কৰি **দি আছাম ট্ৰিবিউন** কাকতে 'ৰিয়ান ফায়াৰ ৱৰ্কছ এট ইডেন্‌ছ গ' ইন ভেইন' শিৰোনামেৰে প্ৰকাশ কৰিছে।

এতিয়া আহক বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে পাতলীয়া বৰষুণৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২০ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত